কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref* : AJB/DBT/18/20

তাৰিখ :
*Date* : 31-01-2020

# Demise of Banamali Talukdar, Ex-Principal of Asssam Jatiya Bidyalay

**Noonmati, Guwahati, 31 January, 2020 :** An Ex-Principal, a renowned educationist, a national awardee and a teacher left for his heavenly abode at the age of 85 years at his own residence at Guwahati Zoo-Narengi at about 3 am today. All the teachers, students, non-teaching staff, all the members of the Management Committee of the school paid their last tribute to the departed soul in a condolence meeting at around 11 am held at the school premises. The Principal of the school Mr. Ghanashyam Medhi and the Secretary of the Management Committee Dr. Narayan Sharma recollect his contribution towards the attainment of the present state of the school. Banamali Talukdar was born in 18 December 1934 at Amrikhowa village in the Barpeta District. He served as a teacher in Nagaon Higher Secondary School and Barpeta Government Higher Secondary School. He was also the Principal of Cotton Collegiate Higher Secondary School, Guwahati. Moreover he worked as the Inspector of Schools of Board of Secondary Education, Assam. Assam Jatiya Bidyalay Educational and Socio-Economic Trust conferred on him special honour in the year 2015 for his lifelong contribution towards the development of the school.

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/বতাদে/১৮/২০ তাৰিখ : ৩১/০১/২০২০
*Ref :* *Date :*

## অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ বনমালী তালুকদাৰৰ দেহাৱসান

**নুনমাটি, গুৱাহাটী, ৩১ জানুৱাৰী, ২০২০** : অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, অসমৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ তথা ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক বনমালী তালুকদাৰৰ যোৱা নিশা গুৱাহাটীৰ জু-নাৰেংগীৰ নিজা বাসভৱনত ৮৫ বছৰ বয়সত দেহাৱসান ঘটে। কৃতী শিক্ষকগৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে আজি দিনৰ ১১ বজাত অসম জাতীয় বিদ্যালয় প্ৰাংগণত এখনি শোকসভা অনুষ্ঠিত হয়। প্ৰয়াত তালুকদাৰৰ নশ্বৰদেহ বিদ্যালয় প্ৰাংগণলৈ অনাৰ পাছত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে আয়োজিত শোকসভাত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই অসম জাতীয় বিদ্যালয়ৰ প্ৰতি তেওঁ আগবঢ়াই থৈ যোৱা অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে। ১৯৩৪ চনৰ ১৮ ডিচেম্বৰত বৰপেটাৰ আমৃখোৱা গাঁৱত জন্মগ্ৰহণ কৰা প্ৰয়াত তালুকদাৰে নগাঁও উচ্চ মাধ্যমিক বিদ্যালয় আৰু বৰপেটা চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰাৰ লগতে কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তদুপৰি অসম মাধ্যমিক শিক্ষা পৰিষদত বিদ্যালয়সমূহৰ পৰিদৰ্শক হিচাপেও কৰ্মৰত আছিল। উল্লেখযোগ্য যে ১৯৯৪-৯৫ চনত তেওঁ ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৃতী শিক্ষকৰ বঁটা লাভ কৰিছিল। অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসেও প্ৰয়াত তালুকদাৰৰ জীৱনজোৰা অৱদানৰ বাবে ২০১৫ চনত বিশেষভাৱে সন্মান জ্ঞাপন কৰিছিল।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০